কাৰক আছে। এনে দুটামান কাৰক হ'ল- বিবাহৰ সার্বজনীনতা, কম বয়সতে বিয়া হোৱা, পৰিয়ালৰ কঠোৰ নীতি-নিয়ম, ল'ৰা সন্তানক অগ্রাধিকাৰ দিয়া, দুর্বল আর্থিক অৱস্থা, নৱজাতকৰ উচ্চ মৃত্যুহাৰ, কৃষিজীৱি সমাজ, নগৰীকৰণৰ প্রক্রিয়া ধীৰ হোৱা, পৰিবর্তনৰ বিৰুদ্ধে সাংস্কৃতিক প্রতিৰোধ ইত্যাদি।

৪ নং প্রশ্নৰ উত্তৰ ঃ মৰণশীলতা মানে মৃত্যু। জন্ম লভাৰ পাছত যিকোনো মূহুর্ততে জীৱনৰ সকলো প্রমাণ স্থায়ীভাৱে নাইকিয়া হৈ যোৱাকে মৃত্যু বোলে। অর্থাৎ, মৃত্যুৰ সৈতে গর্ভপাত আৰু জন্মতে মৃত শিশুৰোৰক সামৰি লোৱা নহয়।

৫ নং প্রশ্নৰ উত্তৰ ঃ ভাৰতত সর্বপ্রথম লোকপিয়ল ১৮৭১ চনত সম্পন্ন কৰা হৈছিল।

৬ নং প্রশ্নৰ উত্তৰঃ ভাৰতত লোকপিয়ল কর্তৃপক্ষই আঙুলিয়াই দিয়া লিংগৰ সংৰচনাৰ বৈষম্যৰ কেতবোৰ কাৰণ হৈছে-

- কন্যা শিশুক কৰা অৱহেলাৰ বাবে কম বয়সত অধিক হাৰত মৃত্যু।
- উচ্চ হাৰত প্রসূতিজনিত মৃত্যু।
- লিংগ পৰীক্ষণ কৰি গর্ভপাত।
- কন্যা শিশু হত্যা।
- জন্মতে লিংগৰ অনুপাতৰ পৰিৱর্তন।

৭ নং প্রশ্নৰ উত্তৰ ঃ শেহতীয়া দুটা দশকত বৃদ্ধ লোকৰ সংখ্যা বৃদ্ধিৰ আভ্যন্তৰীণ কাৰণসমূহ হৈছে উন্নত শিক্ষা, স্বাস্থ্যসেৱাৰ সুবিধা আৰু আয়ুসকালৰ বৃদ্ধি।



২.১০ আৰ্হি প্রশ্ন

ক) চুটি প্রশ্ন (১৫০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ঃ জনসংখ্যা বৃদ্ধিৰ নির্ণায়কবোৰ কি কি? বহলাই আলোচনা কৰক।

প্রশ্ন ২ঃ ভাৰতত জনসংখ্যা বৃদ্ধিত প্রভাৱ পেলোৱা কাৰকসমূহ কি কি?

প্রশ্ন ৩ঃ যদিও ভাৰতত জনসংখ্যা বৃদ্ধিৰ হাৰ হ্রাস পাইছে তথাপিও জনসংখ্যা বৃদ্ধি হৈয়ে আছে। কিয়?

প্রশ্ন ৪ঃ কোনো এটা অঞ্চলৰ জন্ম হাৰ আৰু মৃত্যুহাৰ কেনেদৰে জোখা হয়?

খ) ৰচনাধর্মী প্রশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ঃ ভাৰতত জনসংখ্যাৰ দশকভিত্তিত বৃদ্ধিৰ সন্দর্ভত লিখক।

প্রশ্ন ২ঃ স্বাধীনতাৰ পিছত ভাৰতৰ জনসংখ্যাৰ ধাৰাৰ বিষয়ে আলোচনা কৰক।

প্রশ্ন ৩ঃ ভাৰতত জনসংখ্যা বৃদ্ধিত প্রভাৱ পেলোৱা কাৰকসমূহ আলোচনা কৰক।

*** ***** ***